**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 02-07-2025
**Time :** 18-00 HRS

***Assamese Evening Bulletin***

গোলাঘাটত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বাহনলৈ বটল নিক্ষেপ কৰা ঘটনা সন্দৰ্ভত এতিয়ালৈ ৬ জন লোকক গ্ৰেপ্তাৰ কৰা হৈছে বুলি জিলাখনৰ আৰক্ষী অধীক্ষক ৰাজেন সিঙে আজি এখন সংবাদ মেলযোগে জানিবলৈ দিছে। ঘটনা সন্দৰ্ভত ৰাহুল ফুকনক জেললৈ প্ৰেৰণ কৰাৰ লগতে মূল অভিযুক্ত দীপাংকৰ ডেকা, ঋষিৰাজ বাৰতিয়াল, প্ৰাণ হৰি ফুকন, পংকজ গগৈ আৰু অৰিন্দম বৰিক গ্ৰেপ্তাৰ কৰা হৈছে। আৰক্ষীয়ে এই ঘটনা সন্দৰ্ভত নিজাববীয়াকৈ গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। এই ঘটনাক লৈ আন এক গোচৰ ৰুজু কৰা হ'ব বুলি আৰক্ষী অধীক্ষক ৰাজেন সিঙে সংবাদমেলত প্ৰকাশ কৰে।

০০০০

২০০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ অসমৰ চাহৰ ঐতিহ্য অধ্যয়ন কৰাৰ লক্ষ্যৰে দক্ষিণ কোৰিয়াৰ ২৪ জনীয়া প্ৰতিনিধিৰ দল আজি যোৰহাটত উপস্থিত হৈছে। দলটোৱে মেলেং চাহ বাগিছাত পাত তোলাৰ পৰা প্ৰসংস্কৰণলৈকে সমগ্ৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰে। এনে অধ্যয়নমূলক ভ্ৰমণে চাহৰ বিশ্বজনীন সম্ভাৱনীয়তাক অধিক প্ৰসাৰিত কৰিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০

শিৱসাগৰ জিলাৰ চেৰেকাপাৰৰ হাতীমুৰীয়া ঘাটত কালিৰ পৰা সন্ধানহীন হৈ থকা কিশোৰ দুজনক উদ্ধাৰ কৰাৰ বাবে ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনীয়ে অভিযান চলাই আছে। দিখৌ নৈত গা ধুবলৈ যোৱা একেখন বিদ্যালয়ৰ ৬ জন কিশোৰৰ দুজনৰ এতিয়ালৈকে সন্ধান পোৱা নাই। আৰক্ষীয়ে ঘটনাস্থলীৰ পৰা কিশোৰ দুজনৰ চাইকেল, স্কুল বেগ আৰু কাপোৰ উদ্ধাৰ কৰিছে।

০০০০

পশ্চিম কাৰ্বি আংলঙৰ ডংকামোকাম সমূহীয়া স্বাস্থ্য কেন্দ্ৰত আজি জিলাখনৰ প্ৰথমটো সৰ্পদংশনৰ চিকিৎসা কেন্দ্ৰ মুকলি কৰা হয়। জিলাখনৰ কোনো লোকক সৰ্পই দংশন কৰিলে ততালিকে এই কেন্দ্ৰলৈ আনিবলৈ জিলা স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ জগত সিং তেৰণে আহ্বান জনায়। পৰৱৰ্তী সময়ত জিলাখনৰ প্ৰতিখন চিকিৎসালয়ত সৰ্প দংশন চিকিৎসা কেন্দ্ৰ স্থাপন কৰা হ'ব বুলি তেঁও প্ৰকাশ কৰে।

০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰে আৰু ৰাজ্যত কাম চলি থকা আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। বৈঠকত ৰাজ্যৰ ধবজাবাহী আন্তঃগাঁথনি প্ৰকল্পসমূহৰ পৰ্যালোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই লগতে এই প্ৰকল্পসমূহৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সহযোগিতা কামনা কৰে। কেন্দ্ৰীয় মন্ত্ৰী গাডকাৰীয়ে প্ৰকল্পসমূহৰ কাম নিৰ্ধাৰিত সময়ত আৰু দক্ষতাৰে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সমৰ্থনৰ আশ্বাস দিয়ে। তেওঁ লগতে এই প্ৰকল্পসমূহে আঞ্চলিক যোগাযোগ ব্যৱস্থা সুদৃঢ়

কৰিব, বাণিজ্য পথসমূহৰ সম্প্ৰসাৰণ ঘটাব আৰু উত্তৰ-পূৰ্বাঞ্চলৰ অৰ্থনৈতিক বিকাশ ত্বৰান্বিত কৰিব বুলি মন্তব্য কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াকো দেখা কৰে। তেওঁলোকে পুঁজি হস্তান্তৰ সন্দৰ্ভত অসমৰ অনন্য দিশ সম্পৰ্কে আলোচনা কৰে।

ড০ শৰ্মাই লাইফ কেয়াৰ লিমিটেডৰ অধ্যক্ষ শ্ৰীজয়েশ ছাইনিৰ সৈতেও ৰাজ্যৰ দ্ৰুত বিকাশশীল স্বাস্থ্য সেৱা খণ্ডত অংশগ্ৰহণৰ উদ্দেশ্যে স্বাক্ষৰ কৰা বুজাবুজিৰ চুক্তি ৰূপায়ণ সন্দৰ্ভত আলোচনা কৰে। ইপিনে, আই চি আই চি আই ফাউণ্ডেচন আৰু আই চি আই চি আই বেংকৰ এটা প্ৰতিনিধি দলে নতুন দিল্লীত মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰে আৰু অসমত চলি থকা ব্যৱসায়িক সামাজিক দায়বদ্ধতাৰ প্ৰচেষ্টা সম্পৰ্কে আলোচনা কৰে। বৈঠকত ৰাজ্য চৰকাৰ আৰু আই চি আই চি আই ফাউণ্ডেচনৰ যৌথ সহযোগিতাৰ সৈতে ব্যৱসায়িক – সামাজিক দায়বদ্ধতাৰ প্ৰচেষ্টা সমূহ অধিক শক্তিশালী কৰি ক্ষুদ্ৰ ঋণ গ্ৰহণকাৰীৰ বাবে সুলভ কৰাৰ বিষয়ে গুৰুত্ব আৰোপ কৰা হয়।

০০০০

ৰাজ্যৰ প্ৰতিখন জিলাতে ১ জুলাইৰ পৰা সপ্তাহজোৰা কাৰ্যসূচীৰে শস্য বীমা সপ্তাহ, ২০২৫ অনুষ্ঠিত হৈছে। প্ৰধানমন্ত্ৰী ফচল বীমা যোজনাৰ অধীনত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বীমা কোম্পানীৰ উদ্যোগত কৃষকৰ মাজত শস্য বীমাৰ বিষয়ে সজাগতা সৃষ্টিৰ উদ্দেশ্যে চলোৱা এই অভিযানৰ অধীনত প্ৰত্যেক কৃষি উন্নয়ন চক্ৰত পঞ্চায়ত ভিত্তিত প্ৰচাৰ অভিযান ৰূপায়ণ কৰা হৈছে। অভিযানৰ অধীনত সংশ্লিষ্ট বিষয়াসকলে কৃষকসকলক শালিধান, মৰাপাট, মাটিমাহৰ দৰে খাৰিফ শস্যৰ বীমা সম্পৰ্কে অৱগত কৰে। তেওঁলোকে এই বীমা সুবিধা গ্ৰহণ কৰি কিদৰে উপকৃত হ'ব পাৰি, সেই বিষয়েও আলোকপাত কৰে।

০০০০

ৰাজ্য চৰকাৰ তথ্য প্ৰযুক্তি বিভাগ আৰু এইচ ডি এফ চি বেংকৰ যৌথ উদ্যোগত বিত্ত প্ৰযুক্তি বিষয়ক দক্ষতা বিকাশৰ বাবে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। তথ্যপ্ৰযুক্তি আৰু বিজ্ঞান মন্ত্ৰী কেশৱ মহন্তই আজি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত **জিলিঙণী** শীৰ্ষক এই কাৰ্যসূচী উদ্বোধন কৰে। অনুষ্ঠানত মন্ত্ৰীগৰাকীয়ে কয় যে বিত্ত প্ৰযুক্তি সম্প্ৰতি কৰপৰেট জগতৰ মূল চালিকা শক্তিৰূপে পৰিগণিত হৈছে আৰু ভৱিষ্যতে দক্ষতা সম্পন্ন যুৱ প্ৰজন্মৰ বাবে খণ্ডটোৱে নিয়োগ আৰু উত্তৰণত অপাৰ সম্ভাৱনাৰ দুৱাৰ মুকলি কৰিব। প্ৰশিক্ষণ কাৰ্যসূচীয়ে শিক্ষাৰ্থীসকলক বিত্ত সেৱা খণ্ডত ৰিয়েল ৱৰ্ড স্কীল আৰু নব্য বিকশিত প্ৰযুক্তিৰ অভিজ্ঞতা আহৰণেৰে বেংকিং তথা কৰ্পৰেট খণ্ডত নিযুক্তি লাভ কৰিব পৰাকৈ সাজু কৰি তুলিব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। অসমৰ অভিযান্ত্ৰিক এম চি এ, বি এছ চি, তথ্য প্ৰযুক্তি আৰু আনুসংগিক শাখাৰ পাঠ্যক্ৰমৰ চূড়ান্ত বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকল এই কাৰ্যসূচীৰ পৰা উপকৃত হ'ব।

০০০০

ৰাজ্যৰ ১৫ বছৰৰ অনুৰ্ধ ছোৱালী ক্ৰিকেটাৰৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে অসম ক্ৰিকেট সন্থাৰ দ্বাৰা পৰিচালিত আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম মণ্ডলৰ গ্ৰুপ 'ডি'ৰ অন্তিমখন খেলত কলিয়াবৰ ক্ৰিকেট সন্থাৰ বিপৰীতে মৰিগাঁও জিলা ক্ৰীড়া সন্থাই ৮৯ ৰাণৰ বৃহৎ ব্যৱধানত জয়লাভ কৰিছে। মৰিগাঁও জিলা ক্ৰীড়া সন্থা আৰু ক্ৰিকেট উপ-সমিতিৰ তত্ত্বাৱধানত ক্ষীৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত গুৰুত্বপূৰ্ণ

খেলখনত মৰিগাঁও জিলা ক্ৰীড়া সন্থাই প্ৰথমে বেটিং কৰি নৌচিন আফ্ৰা আঞ্জুমৰ ২৭ আৰু হিম শিখা দত্তৰ ৯ ৰাণৰ বৰঙণিৰে ৩২-২ অ'ভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১১২ ৰাণ সংগ্ৰহ কৰে। কলিয়াবৰ ক্ৰিকেট সন্থাৰ হৈ শালনী কৰ্মকাৰ আৰু চিমৰণ গঞ্জুৱে ৪ টাকৈ উইকেট দখল কৰাৰ লগতে যশোদা সুৰিনে ২ টা উইকেট লাভ কৰে। প্ৰত্তুত্যৰত কলিয়াবৰ দলে ১৩ অ'ভাৰ তিনিটা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৩ ৰাণহে সংগ্ৰহ কৰে। খেলখনত মৰিগাঁৱৰ নৌচিন আফ্ৰা আঞ্জুমক শ্ৰেষ্ঠ খেলুৱৈৰ বঁটা প্ৰদান কৰা হয়।

০০০০

ঃঃ সমাপ্ত ঃঃ

ঃঃঃঃঃঃঃঃঃ